**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-02-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত আজিৰ পৰা দুদিনীয়াকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে একাধিক ৰোড শ্ব'ত অংশ লোৱাৰ লগতে শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰিব। তদুপৰি এই ভ্ৰমণত মুখ্যমন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ, ডিপ টেকন'লজি, আন্তঃগাঁথনি আৰু নিৰ্মাণ আদি খণ্ডত ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সা-সুবিধাসমূহৰ বিভিন্ন দিশ আলোকপাত কৰিব। তেওঁ বাণিজ্যিক সহযোগিতা তথা বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ ছিংগাপুৰৰ ঔদ্যোগিক নেতৃবৃন্দৰ সৈতে বহুকেইখন পৃথক বৈঠকতো অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, এডভাণ্টেজ আছাম সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ উপৰি বিভিন্ন উদ্যোগপতি আৰু প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকিব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত তিনি দিনীয়াকৈ আয়োজিত ভাৰত বোধ অভিৱৰ্তনৰ গুৱাহাটী সংস্কৰণৰ কাৰ্যসূচীত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী সোণোৱালে কয়, যে মহান সভ্যতা-সংস্কৃতিৰে চহকী ভাৰতবৰ্ষ এতিয়া অনিৰুদ্ধ গতিৰে বিশ্বৰ মানচিত্ৰত জিলিকি উঠিছে। দেশবাসীয়ে মূল্যবোধ আৰু উন্নয়নৰ ক্ষেত্ৰত নৱজাগৰণৰ অভিজ্ঞতা লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ স্মৃতি বিজড়িত তেজপুৰৰ শতবৰ্ষ গৰকা সামাজিক অনুষ্ঠান অসমীয়া ক্লাবে **ঐতিহ্য পদযাত্ৰা** শীৰ্ষক এটা কাৰ্যসূচী গ্ৰহণ কৰে। শিক্ষাৰ্থীক লৈ ঐতিহাসিক স্থান পৰ্যবেক্ষণৰ উদ্দেশ্যে গ্ৰহণ কৰা এই কাৰ্যসূচী বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষক বৰুন পুৰকায়স্থই কালি শুভাৰম্ভ কৰে। এই উপলক্ষে আয়োজিত সভাত বিধায়ক ৰাভাই কয়, যে ঐতিহ্য প্ৰীতিয়ে একোগৰাকী শিক্ষাৰ্থীৰ প্ৰকৃত জ্ঞান লাভৰ পথ প্ৰশস্ত কৰে। তেওঁ তেজপুৰ চহৰৰ ইতিহাস সম্পৰ্কে কৌতুহলী হ'বলৈ শিক্ষাৰ্থীসকলক পৰামৰ্শ আগবঢ়ায়। সভাত আৰক্ষী অধীক্ষক পুৰকায়স্থই কয়, যে তেজপুৰৰ পুৰণি ঐতিহ্যৰ চাণেকিস্বৰূপ দ-পৰ্বতীয়াৰ শৈলদ্বাৰ, মহাভৈৰৱ মন্দিৰ, ভৈৰৱী দেৱালয় আদি দৰ্শনৰ বাবে বাহনৰ ব্যৱস্থা কৰা হৈছে। এনে অনুষ্ঠানৰ প্ৰতি তেওঁ ভৱিষ্যতেও সহায়-সহযোগিতা আগবঢ়াই যাব বুলি প্ৰতিশ্ৰুতি দিয়ে।

ooooo

শিৱসাগৰৰ দিখৌমুখৰ আজানপীৰ দৰগাহত অনুষ্ঠিত বাৰ্ষিক সমূহীয়া দোৱা আৰু জিয়াৰৎ অনুষ্ঠানৰ কালি সামৰণি পৰে। এই উপলক্ষে দৰগাহলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ লগতে অন্য ধৰ্মাৱলম্বী অগণন লোকৰ সমাগম হয়। স্থানীয় হিন্দু ধৰ্মাৱলম্বী লোকসকলে দৰগাহলৈ প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ পথৰ দুয়োকাষে বন্তি প্ৰজ্বলন কৰি আজানপীৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। আজানপীৰ দৰগাহ পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত এই জিয়াৰৎ উপলক্ষে অনুষ্ঠিত জিকিৰ প্ৰতিযোগিতাত কেইবাটাও দলে জিকিৰ পৰিৱেশন কৰে। কালি অনুষ্ঠিত মুকলি সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ কৰবী ডেকা হাজৰিকাই মুখ্য বক্তা হিচাপে অংশ লৈ দিয়া ভাষণত আজানপীৰক সাম্প্ৰদায়িক সম্প্ৰীতিৰ উজ্বল নিদৰ্শন বুলি উল্লেখ কৰাৰ লগতে আজানপীৰৰ জিকিৰৰ বিশেষত্ব সন্দৰ্ভত ব্যাখ্যা কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচি মহন্তই উদ্বোধন কৰা মুকলি সভাত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অনিল শইকীয়াই স'ৰাগুৰিৰ আজান শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে। অনুষ্ঠানত মেঘালয়ৰ প্ৰাক্তন মন্ত্ৰী ছৈয়দুল্লা ননগ্ৰোম সন্মানীয় অতিথি হিচাপে অংশ লৈ দিয়া ভাষণত আজানপীৰে ধৰ্মতকৈ মানৱ প্ৰেমত অধিক গুৰুত্ব আৰোপ কৰিছিল বুলি মন্তব্য কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত সমূহীয়া প্ৰাৰ্থনাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে অংশ লয়।

ooooo

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ শুভাৰম্ভ অনুষ্ঠান কালিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কালি এই উপলক্ষে মহাবিদ্যালয়খনত প্ৰাক্তন ছাত্ৰীসকলৰ মহামিলন আৰু অন্তৰংগ সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কালি গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰা হয়। আজি দিনৰ ভাগত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ বীৰেন বৰকটকী সোঁৱৰণী স্মাৰক বক্তৃতানুষ্ঠান আয়োজন কৰা হৈছে। ইয়াৰ পাছতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তোযেশ্বৰ দত্তৰ আৱক্ষ মূৰ্তি উন্মোচন কৰা হ'ব।

ooooo

কলিয়াবৰৰ কুঁৱৰীটোলৰ গান্ধী খেলপথাৰত কাইলৈৰ পৰা ৬ দিনীয়া কাৰ্যসূচীৰে প্ৰথম কলিয়াবৰ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ৰাজহ মন্ত্ৰী কেশৱ মহন্তই এই গ্ৰন্থমেলা উদ্বোধন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত সাহিত্যিক উপেন বৰকটকী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

ooooo

ধেমাজি জিলাৰ জিয়াঢলত অনুষ্ঠিত সোণোৱাল-কছাৰী সাহিত্য সভাৰ দ্বিবাৰ্ষিক ধেমাজি অধিবেশনৰ কালি সামৰণি পৰে। কালি অন্তিম দিনা আয়োজিত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত জনগোষ্ঠীটোৰ তিনি শহস্ৰাধিক লোকে নিজৰ কৃষ্টি প্ৰদৰ্শন কৰে। এই শোভাযাত্ৰাত মিচিং, দেউৰী, গাৰোকে ধৰি কেইবাটাও জনগোষ্ঠীৰ লোকে অংশ লয়। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত আয়োজিত জনগোষ্ঠীয় সমাৰোহ আৰু মুকলি সভাত শিক্ষামন্ত্ৰী ডাঃ

ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। অধিৱেশন উপলক্ষে প্ৰকাশ কৰি উলিওৱা **স্বৰ্ণৰেঘা** নামৰ স্মৃতিগ্ৰন্থখন নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰববী অধ্যাপক ড০ অৰবিন্দ ৰাজখোৱাই উন্মোচন কৰে। একেদৰে সোণোৱাল কছাৰী সাহিত্য সভাৰ **হালালী** শীৰ্ষক মুখপত্ৰখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে উন্মোচন কৰে। সভাখনত সোণোৱাল-কছাৰী সাহিত্য সভাই প্ৰকাশ কৰা কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে ২০১৫ চনৰ ১৩ মে'ত ডিব্ৰুগড়ত প্ৰতিষ্ঠা লাভ কৰা সোণোৱাল কছাৰী সাহিত্যসভাই জনগোষ্ঠীটোৰ ভাষা-সাহিত্য উত্তৰণৰ বাবে কাম কৰি আহিছে।

০০০০০

সমাপ্ত